জুলাই 2007

বিত্তীয় শিক্ষা শৃঙ্খলা

আধাৰভূত বেংকিং

অংক-1

# ৰাজু আৰু টকাৰ গছজোপা



ভাৰতীয় ৰিজাৰ্ভ বেংক
RESERVE BANK OF INDIA
www.rbi.org.in



ৰাজুৰ এই কৌতুহলপূৰ্ণ চিত্ৰ-কথা পুথিখনৰ জৰিয়তে বেংকৰ প্ৰয়োজনীয়তা আৰু বেংকত টকা ৰাখিলে কেনেকৈ বাঢ়ে—তাৰ বিষয়ে বৰ্ণনা কৰিছে। ৰাজুৰ এই জিজ্ঞাসাৰ অভিযানৰ কাহিনীটো www.rbi.org.in/financialeducation টো উপলব্ধ আছে।




প্ৰথম সংকলন ভাৰীতয় ৰিজাৰ্ভ বেংক, নতুন দিল্লীৰ দ্বাৰা জুলাই 2007 ত মুদ্ৰিত।

অধিক তথ্যৰ কাৰণে অথবা এই পুথিখনৰ প্ৰতিলিপিৰ কাৰণে তলৰ ঠিকনাত লিখক বা টেলিফোন কৰক ঃ
ভাৰতীয় ৰিজাৰ্ভ বেংক
6, সংসদ মাৰ্গ
নই দিল্লী--110001
011-23731463
Email id:infocellnewdelhi@rbi.org.in


ৰাজু আৰু টকাৰ গছজোপা
ৰাজু আৰু মাক এখন সৰু গাঁওত থাকে।
এলেহুৱা ৰাজুৱে দিনটো শুইয়ে থাকে, আৰু ধনী হোৱাৰ সপোন দেখে।
বেচেৰী মাকে কোনোমতে দিনৰ দিনটো কাম কৰি দুবেলা দুমুঠি যোগাৰ কৰে।
ৰাজুয়ে এদিনাখন সপোনত এজোপা টকাৰ গছ দেখিলে।
বা – কি ধুনীয়া গছ! গছজোপাত ইমানবোৰ টকা লাগিছে।


সাৰ পাইয়ে ৰাজুৱে তেনে এবিধ গছ বিচাৰি ওলাই গ'ল।
লঘোনে ভোকে দিনটো...
...এইদৰে কেইবা নিশাও পাৰ কৰিছে।
এদিন দুপৰীয়া ভাগৰত এজোপা গছৰ তলত জিৰণি লওঁতে টোপনি আহিল।
সাৰ পাই সম্মুখত এজন বুঢ়া মানুহ দেখিলে।
আপুনি বাৰু কোন?
তুমি মোক চিনি নাপাবা, তুমি বাৰু মোক গোপী খুৰা বুলিয়েই মাতিবা। তুমিনো কোন? তোমাক ইমান ক্লান্ত যেন লাগিছে।
মোৰনাম ৰাজু। মই আচলতে এবিধ বস্তুৰ সন্ধানত ওলাইছো।
ক'লৈ বা ঘোৰা, কিহৰবা সন্ধানত ওলাইছা?
মুই আচলতে এজোপা গছ বিচাৰি ফুৰিছো, যিজোপা গছত টকা ফলৰ দৰে ওলমি থাকিব।
কি? আজিৰ দিনটো ইমান মূৰ্খ থাকেনে? (মনতে ভাবে)


ৰাজুৰ অরস্থা দেখি গোপেশ্বৰৰ পুতৌ ওপজিল, আৰু তাক সহায় কৰিবলৈ ইচ্ছা গ'ল।
চিন্তা নকৰিবা ৰাজু—তুমি সঠিক স্থানলৈকে আহিছা, তোমাক মই এবিধ বীজ দিম।
এইবিধ বীজ সিঁচি দিবা, পানী আৰু উপযুক্ত সাৰ দি ইয়াৰ যতন ল'বা।
দেখিবা পুলি ওলাব, পুলিৰ পৰা ই এজোপা ডাঙৰ গছ হব।
কিন্তু এটা কথা মনত ৰাখিবা, যাতে এইবিধ সঁচৰ কথা কাৰো আগত নোকোৱা, ক'লেই ইয়াৰ সকলো গুণ নোহোৱা হৈ যাব।
ৰাজু বৰ আনন্দিত হ'ল, নিশ্চয় এই বুঢ়াজন ভগবানৰহে ৰূপ, নহলেনো মই যি বিচাৰিছো তাকেই দিব পাৰেনে (মনতে ভাবিলে)
গোপী খুৰা, আপুনি কিন্তু আমাৰ ঘৰলৈ আহিব দেই, আপোনাৰ দৰে ইমান ভাল মানুহ এজনক মায়ে লগ পালে বৰ ভাল পাব।
তোমাৰগছ জোপা ডাঙৰ হ'বলৈ দিয়া, মই এবছৰৰ পাচত তোমালোকৰ গাৱঁলৈ নিশ্চয় আহিম।
ৰাজুৱে তেওঁক ধন্যবাদ জনাই নিজৰ গাওঁলৈ উভটিল।


ৰাজুক বহুদিনৰ মূৰত দেখি মাকৰ বৰ আনন্দ লাগিল / মন ভৰি পৰিল।
তাৰ পাচত বীজ ৰোপণ কৰিলে।
অতি সোনকালেই পুলিবোৰ ডাঙৰ হ'ল, পানী-পুরা-গধূলি ৰাজুৱে নিজেই দিয়ে আৰু দিনে-ৰাতিয়ে পহৰাও দিয়ে।
কিন্তু ৰাজু আজি আৰু আগৰ এলেহুৱা ৰাজু হৈ থকা নাই, পিচফালে বাগিছালৈ গৈ ঘাঁহ বন উভালিবলৈ গ'ল।
এবছৰ পাৰ হৈ গ'ল, পুলিটো ডাঙৰ হৈ এজোপা প্ৰকাণ্ড গছলৈ ৰূপান্তৰ হ'ল, অথচ গছত টকা লগাৰ কোনো নাম গোন্ধ নাই। ৰাজু বৰ নিৰাশ হ'ল।
এই বুঢ়াজনে মোক ঠগিলে নেকি? মোৰ ইমান কষ্ট এনেয়ে গ'ল। গছজোপাত অকল পাতহে লাগিছে। পইচা বা টকা নেলাগে যেন পাইছো।

বতৰ সলনি হ'ল। গছজোপাত ফুল লাগিবলৈ আৰম্ভ কৰিছে। এনেকুৱা ফুল ৰাজুৱে আগতে কেতিয়াও দেখা নাই। ফুলৰ গোন্ধত গোটেই গাওঁখন আমোল মোলাই গ'ল।



গাওঁত এইজোপা গছ লৈ আলোচনা আৰম্ভ হ'ল।



গাওঁৰ এজন বেপাৰীয়ে কিছুমান ফুল চহৰলৈ নি বিক্ৰী কৰিবলৈ বিচাৰিলে। বেপাৰীজনে কিছুমান ফুল কিনিলে আৰু ৰাজুক তাৰ বাবে ভাল দাম দিলে।



বাকী ফুল খিনি এতিয়া ফল হ'লগৈ। বেপাৰীজনে ফলখিনি আৰু বেছি দাম দি কিনি লৈ গ'ল।




ৰাজু হঠাৎ ধনী হৈ গ'ল। বহুত টকা হ'ল। তেতিয়া ৰাজুৰ বুঢ়া মানুহজনলৈ মনত পৰিল।
গোপী খুৰাই ঠিকেই কৈছিল— পইচা জানো ৰাজু গছত লাগে?
কিন্তু এই পইচাবোৰ কি কৰো?
ৰাজুৱে পুৰণি ঘৰটো নতুনকৈ মেৰামতি কৰিলে, নিজৰ কাৰণে আৰু মাকৰ কাৰণে নতুন কাপোৰ কিনিলে।
এইবোৰ খৰছ কৰাৰ পাচতো বহুত টকা ৰৈ গ'ল। ভবিষ্যৎৰ কাৰণে ভালদৰে ঘৰতে এটা বাকচত ভৰাই থোৱাৰ সিদ্ধান্ত ল'লে।
কিন্তু কি হ'ব? বেচেৰা ৰাজুৰ গোটেইবোৰ সাঁচতীয়া টকা বাকচত নিগনি সোমাই কুটি পেলালে।
100
500
100
500
500
500


ৰাজু বেচেৰা দুখত ভাঙি পৰিল। ৰাজুৰ দুখ দেখি বেচেৰী মাক জনীও ভাঙি পৰিল, তথাপিও মাকে তাক সান্তনা দিলে।
মাক ঃ তই এটা কাম কৰ। গোপী খুৰাক বিচাৰি যা। তেওঁ নিশ্চয় কিবা এটা কৰিব।
আচৰিত ভাবে পিছদিনাখন ৰাজুৱে হঠাৎ সেই বুঢ়ামানুহজনক অৰ্থাৎ গোপীখুৰাক লগ পালে। তেওঁ ৰাজুৰ ঘৰলৈকে আহি আছিল।
ৰাজুৱে তেওঁক পুলিৰ পৰা গছ হোৱালৈকে ফুলৰ পৰা ফল হোৱালৈকে তথা ফুল আৰু ফল বেচি বহুত টকা পাই সাচি থোৱা টকাখিনি নিগনিয়ে ফুটি পেলোৱা লৈকে গোটেই কাহিনীটো ক'লে।
কথাবোৰ শুনি বুঢ়া মানুহজনে ক'ত দুখ কৰিব, হাঁহিবলৈহে ধৰিলে।
তাৰ মানে সকলো কষ্টৰ ফল নিগনিয়ে খালে।
গোপী খুৰা, মোৰেই ভুল। বাকচত পইচা বোৰ থোৱাৰ আগেয়ে মই যদি নিগনিবোৰ নিগনি মৰা ঔষধৰে মাৰি পেলালো হেঁতেন আজি ইমান টকা কেতিয়াও নষ্ট নহলেহেঁতেন।
তেতিয়াও একো লাভনহলেহেঁতেন। তুমি নিগনি বোৰহে মাৰিলাহেঁতেন, কিন্তু চোৰে তোমাৰ পইচাবোৰ তেতিয়া হয়তো চোৰ কৰি লৈ গ'ল হেঁতেন।
ঘৰত এনেকৈ টকা ৰখাটো সুৰক্ষিত নহয়।


ইয়াৰ বাহিৰেনো মই কি কৰিব পাৰিলো হেঁতেন? ইয়াতকৈ সুৰক্ষিত স্থান আমাৰ ঘৰত নাই।
ইমান সহজ উপায় এটা আছিল। এতিয়াও আছে। বাহি হোৱা টকা সদায় বেঙ্কত থ'ব লাগে।
বেঙ্ক? ই আকৌ কি বস্তু?
বেংক এনেকুৱা এটা ঘৰ য'ত তুমি তোমাৰ টকা সুৰক্ষিত ৰাখিব পাৰা।
বেংক
বেঙ্কত তোমাৰ লগতে আৰু কিমান মানুহে টকা জমা ৰাখে।
প্ৰত্যেকজন ব্যক্তিক বেংকে এখনকৈ বহী দিয়ে য'ত প্ৰত্যেকজন ব্যক্তিয়ে বেংকত ৰখা টকাৰ পৰিমাণ লিখা থাকে।
Date


আমাৰ দেশত বহুত বেংক আছে। তোমালোকৰ সেই প্ৰাথমিক বিদ্যালয়ৰ ওচৰতে দেখোন এটা বেংক মই দেখি আহিছো। তালৈ গৈ এবাৰ সকলো বুজি নাহাগৈ কিয়?
অ' সেই দুমহলীয়া পকীঘৰটো? মই আহোতে যাওঁতে সদায় চাওঁ। সদায়ে ভাবো এইটোনো কি?
বেংকত তোমাৰ মোৰ দৰে মানুহহে কাম কৰে। ভয় কৰিব লগীয়া একো নাই, তালৈ গৈ এবাৰ সুধি আহিলেই বেংকতনো কেনেকৈ সুৰক্ষিতভাৱে টকা জমা থব পাৰি, সকলোবোৰ বুজি পাবা।
প্ৰদান
গ্ৰহণ
তেওঁলোকে তোমাক কেনেকৈ একাউন্ট মানে খাতা খুলিব লাগে সকলো বিতং ভাবে বুজাই দিব। বেংকত এটা একাউন্ট খোলাৰ লগে লগে তাত থকা ৰেজিষ্টাৰ মানে এখন ডাঙৰ বহীত তোমাৰ নামাত কিমান টকা জমা থাকিব তাৰ হিচাব লিখি ৰাখিব।
"আপোনাৰ সহায়ৰ বাবে"
তেওঁলোকে তোমাক একাউন্ট খুলিবৰ বাবে ফৰ্ম দিব। যদি তুমি লিখিব বা পঢ়িব নাজানা তেওঁলোকে তোমাক ফৰ্মখিনি ভৰোৱাত সহায় কৰিব।
বেংকত এবাৰ এটা একাউন্ট খোলাৰ পাচত তুমি তোমাৰ টকা বেংকত ৰাখিব পাৰিবা।
প্ৰদান
গ্ৰহণ


জমা থ'বতো পাৰিমেই গোপী খুৰা, কিন্তু?
যদি পিচদিনাই আকৌ সেই টকা খিনি প্ৰয়োজন হয়, তেতিয়া?
কি ডাঙৰ কথা তোমৰ টকা তোমাৰ কথা। পিচদিনা গৈ সেই টকা খিনি উলিয়াই আনিব পাৰিবা। মই কৈছোৱে চোন বেঙ্কে এইবোৰৰ সম্পূৰ্ণ হিচাব ডাঙৰ বহী মানে ৰেজিষ্টাৰ খনত লিখি ৰাখে। গতিকে তুমি যেতিয়াই ইচ্ছা গৈ খবৰ কৰিবলৈ পাৰা—কিমান জমা আছিল কিমান উলিয়ালা?
অকল সিহঁতেই মানে বেঙ্কেই ইয়াৰ হিচাব নাৰাখে, তোমাকো যে এখন সৰু কিতাপৰ দৰে দিব মই যে কৈছিলো 'পাচবুক' খনতো একেখিনি হিচাবেই প্ৰতিফলিত হ'ব। মুঠতে এইবোৰ খুউব ভাল কথা আৰু একেবাৰে সহজ কথা।
পাচ বুক
...Bank...
A/C No............
এইবোৰ সকলো বুজিলো বাৰু, কিন্তু এটা কথা নহয় গোপী খুৰা-যদিহে বেঙ্ক চলোৱা মানুহ কেইজন গাঁৱৰ পৰা পলাই যায়? তেতিয়া আমাৰ টকাবোৰ?


বেংকত জমা থোৱা টকা অতি সুৰক্ষিত। বেংকৰ ওপৰত চৰকাৰী সংস্থাই সদায় সম্পূৰ্ণ নজৰ ৰাখে।
বহুতো সুবিধা? কেনেকুৱা ধৰণৰ সুবিধা বাৰু?
জনপ্ৰিয় বেঙ্ক
বেঙ্কৰ মানুহবোৰে বেঙকটোৰ সৈতে নোহোৱা হোৱাৰ কোনো প্ৰশ্নই নুঠে বৰঞ্চ বেঙ্কত টকা জমা থলে উপৰঞ্চি বহুতো লাভ মানে সুবিধা আদায় কৰিব পাৰি।
বেঙ্কত থোৱা জমা টকাৰ ওপৰত তুমি সুত পাবা। ফলত তোমাৰ টকা জমা থোৱাতকৈ বাঢ়িব অৰ্থাৎ বেছি হ'ব। যিমান দিন বেছি জমা ৰাখিবা সিমানেই পৰিমাণ বাঢ়ি গৈ থাকিব।
বেঙ্কে আকৌ টকাৰ পৰিমাণ কেনেকৈ বঢ়াব পাৰে? বেঙ্কত কিবা টকাৰ গছ আছে নেকি?


এইটো এটা সহজ সৰল কথা। বেংকে তুমি জমা থোৱা টকা কিছুমান ব্যৱসায়ীক তেওঁলোকৰ ব্যৱসায় চলাবৰ কাৰণে দিয়ে।
বেংকে তেওঁলোকৰ পৰা সুত আদায় কৰে। ইয়াৰে এটা অংশ বেংকে ৰাখিব আৰু এটা অংশ তোমাক দিব। এনেদৰে বেংকত থোৱা টকা বাঢ়ি গৈ থাকে।
এইটো ইমান ভাল কথা। মোৰ টকা সুৰক্ষিত থকাৰ উপৰিও তাৰ ওপৰত সুত পাম। গোপী খুৰা আমাৰ গাঁৱৰ শ্যামে বোলে ট্ৰেক্টৰখন বেংকৰ ঋণ লৈ কিনিছে, সঁচানে?
মইও এনেকুৱা এটা ঋণ ল'ব পাৰো নেকি?


নিশ্চয়, নোৱাৰাৰ কথাই নুঠে।
তুমি এই ঋণৰ টকাৰে বীজ আৰু সাৰো কিনিব পাৰিবা। তোমাৰ বাগিছাত ফল-মূল আৰু শাক-পাছলিৰ খেতি কৰিব পাৰা। এই ফল-মূল, শাক-পাছলি বিক্ৰী কৰি তুমি আৰু বেছি অৰ্জ্জন কৰিব পাৰিব।
এই পইচাৰে তুমি তোমাৰ ঋণ পৰিশোধ কৰিব পাৰিবা। আৰু এটা কাম কৰিব পাৰিবা
তুমি ৰাহি হোৱা টকাখিনি তোমাৰ বেংকৰ একাউণ্টত ৰাখিব পাৰিবা।


মই আৰু এটা প্ৰশ্ন সুধিব খোজো। মোৰ মা মোৰ লগতে থাকে আৰু তেওঁৰ কাৰণে মই বেংকত কিছু টকা ৰাখিব বিছাৰো। মোৰ মাৰ নামটো এটা একাউন্ট খুলিব পাৰিম নেকি?
নিশ্চয়! তুমি তোমাৰ মাৰ নামত বেলেগকৈ এটা একাউন্ট খুলিব পাৰা আৰু তোমাৰ মায়ে ইয়াত টকা জমা কৰিব পাৰিব অথবা তুমিও তোমাৰ একাউন্টৰ পৰা তোমাৰ মাৰ একাউন্টলৈ টকা পঠাই দিব পাৰিবা।
তুমি তোমাৰ নিজৰ একাউন্টৰ লগত তোমাৰ মাৰ নামওঁ লিখাই জইন্ট একাউন্ট খুলিব পাৰা।



কিন্তু তুমি এইটো কথা মনত ৰাখিবা কি...
এইটো তোমাৰ একাউন্ট নে মাৰ লগত একেলগে খোলা একাউন্ট ।
ভগবানে নকৰক তোমালোকৰ তোমৰে হওঁক বা মাৰাৰে হওঁক কাৰোবাৰ যদি দুৰ্ঘটনাতে কিবা এটা হয় তেতিয়া জমা টকা খিনি কোনে পাব এজন ব্যক্তিৰ নাম দিব লাগিব।
ৰাধা
এই মানুহজন তোমাৰ উত্তৰাধিকাৰী হ'ব।


মই সচাঁ কৈ ভগবানৰ ওচৰত সেই দিনটোৰ বাবে চিৰ কৃতজ্ঞ্য কি মই আপোনাক সেই দিনাখন লগ পাইছিলো।
আপুনি মোক সেই গছ ডালৰ ৰহস্যৰ বিষয়ে ক'লে যি গছত টকা লাগে আৰু এইটোও কলে যে পইচা কেনেকৈ সুৰক্ষিত ৰাখিব পাৰি। মই কালি মাক লৈ গৈ বেংকত এটা একাউন্ট খুলিম।




এই গল্পটো লিখিছে মনোজ আৰু শৈলাজা
আৰ্ট কৰিছে—অনুপম শৰ্মা
অসমীয়া অনুবাদ ঃ পূৰবী বৰা
কণিকা তালুকদাৰ

ভাৰতীয় ৰিজাৰ্ভ বেংক

RESERVE BANK OF INDIA

www.rbi.org.in/financialeducation

• গ্ৰন্থস্বত্ত

উৎস স্বীকাৰৰ স্বৰ্ত্ত সাপেক্ষে পুৰ্ণমুদ্ৰণৰ অধিকাৰ দিয়া হ'ব।

• প্ৰত্যাখান

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ এই বিত্তীয় শিক্ষা অভিযান সৰ্ব্বসাধাৰণৰ জ্ঞাতাৰ্থে, এইটো কোনো বৃত্তিগত পৰামৰ্শৰ বাবে নহয়। প্ৰস্তুত কৰাৰ সময়ত শেহতীয়া আৰু শুদ্ধ তথ্য সম্বলিত কৰাৰ বাবে সতৰ্কতা অৱলম্বন কৰা হৈছে যদিও ব্যৱহাৰ কৰাৰ সময়ত ব্যৱহাৰকাৰীয়ে যেন নিজা সতৰ্কতা আৰু বিচাৰ-বিবেচনা প্ৰদৰ্শন কৰে।